# সফলতাৰ কাহিনী

| | | |
|---|---|---|
| কৃষকৰ নাম | ঃ | শ্ৰীনৰজ্যোতি ৰাজখোৱা |
| ঠিকনা | ঃ | লক্ষৌজান, বোকাঘাট মহকুমা<br>গোলাঘাট জিলা |
| গাওঁ পঃ কৃঃ সঃ কৰ্মীৰ এলেকা | ঃ | ইকৰাজান |
| কৃষি উঃ বিষয়াৰ চক্ৰ | ঃ | বোকাখাট |

**কৃষকৰ পৰিচয় ঃ** শ্ৰীনৰজ্যোতি ৰাজখোৱা এজন বিজ্ঞানৰ স্নাতক আৰু কম্পিউটাৰ ব্যৱহাৰৰ ডিপ্লমাধাৰী। তেওঁ প্ৰকৃতি আৰু জীৱজন্তুৰ সংৰক্ষণৰ লগত জড়িত অৰণ্য সুৰক্ষা সমিতিৰ সক্ৰিয় সদস্য। তেওঁ এজন মধ্যবিত্ত পৰিয়ালৰ নিবনুৱা যুৱক। তেওঁৰ দেউতাক অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত এজন পৰিদৰ্শক আছিল। শ্ৰীৰাজখোৱাই কৃষিভিত্তিক উদ্যোগ গঢ়িবৰ বাবে গোলাঘাট জিলাৰ কৃষি বিষয়াৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰে। তেওঁক এটা কেঁচুমটা সাৰ উৎপাদন কেন্দ্ৰৰ বাবদ ২০০২-০৩ চনত ৰাজসাহায্য প্ৰদান কৰা হয়। ৰাজখোৱাই নিজৰ ১.৫ লাখ টকা নিয়োগ কৰি এটি উন্নত মানদণ্ডৰ কেঁচুম'টা সাৰ উৎপাদন কেন্দ্ৰ গঢ়ি তুলিছে। বৰ্তমান তেওঁ ১৩০ মেট্ৰিকটন সাৰ উৎপাদন কৰিছে আৰু বছৰি ২.৬ লাখ টকা উপাৰ্জন কৰিবলৈ সমৰ্থ হৈছে। বৰ্ত্তমান তেওঁ নিজৰ পৰিয়ালটি চলোৱাৰ উপৰিও ৬ জন মানুহক নিয়োগ কৰিব পাৰিছে। অৱশ্যে ৰাজখোৱাৰ মতে এতিয়াও আমাৰ কৃষক সকলৰ জৈৱিক সাৰৰ প্ৰতি সজাগতাৰ অভাৱ দেখা যায়। তদুপৰি তেওঁৰ সাৰ উৎপাদন কেন্দ্ৰটোত প্ৰয়োজন হোৱা কেঁচা সংগ্ৰহৰ বাবে অধিক মূল্য দিবলগীয়া হয়। ভৱিষ্যতে তেওঁ কাজিৰঙাৰ ওচৰৰ গেলেকীত এটা নতুন উৎপাদন কেন্দ্ৰ স্থাপন কৰিব। যিহেতুকে তাত বন-বাত, পানীমেটেকা, আইপমিয়া আদি পৰ্যাপ্ত পৰিমাণে পোৱা যায়। যোৱা ২১/০১/২০০৫ ইং অসম বিধানসভাৰ পুণৰীক্ষণ কমিটিয়ে বিধায়ক মদন কলিতাৰ নেতৃত্বত ৰাজখোৱাৰ কেন্দ্ৰটো পৰিদৰ্শন কৰে।

(উৎস ঃ জিলা কৃষি বিষয়া, গোলাঘাট জিলা)